নিয়মীয়া বাৰ্তা শনিবাৰ, ২৮ জানুৱাৰী ২০২৩

# ডিএইচএছ কানৈ মহাবিদ্যালয়ত ভোটাৰ দিৱস পালন

## ছাত্ৰ-ছাত্ৰীক বিবেক ভোট প্ৰদানৰ শপত বাক্য পাঠ



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এন এছ এছ গোট আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ যুটীয়া উদ্যোগত ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস অনুষ্ঠিত হয়। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° লামখ'লাল ডুংগেলে আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ প্ৰাসংগিকতাৰ বিষয়ে অৱগত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক মননশীল বক্তব্য ১০ পৃষ্ঠাত

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ভোটাৰ

প্ৰদান কৰে। প্ৰসংগ ক্ৰমে তেওঁ উল্লেখ কৰে যে ২০৩০ বৰ্ষৰ ভিতৰত ভাৰত বৰ্ষখনক এখন 'ন'লেজ ছ'চাইটী' হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যুৱপ্ৰজন্মই এক বলিষ্ঠ ভূমিকা পালন কৰিব লাগিব। অনুষ্ঠানটোত এন এছ এছৰ প্ৰগ্ৰেম অফিচাৰ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বিৰাজ দত্তই ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ ইতিহাস তথা কিদৰে ভাৰত চৰকাৰে উক্ত দিৱসটি ২০১১ চনৰ পৰা অনুষ্ঠিত কৰি আহি যুৱ ভোটাৰসকলক ভাৰতীয় নিৰ্বাচনী ব্যৱস্থাত অন্তৰ্ভুক্ত আৰু যুৱ শক্তিক দেশখনৰ উন্নয়নত অংশীদাৰ হ'বলৈ অনুৰোধ জনায়। ভোটাৰ দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক ভয়, শংকা বা আন কোনো শক্তিৰ প্ৰলোভনত নাহি নিজস্ব বিচাৰ-বিবেচনাৰে নিজৰ বিবেক ভোট প্ৰদান কৰাৰ এক শপত বাক্য পাঠ কৰায়। অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰদীপ কুমাৰ সন্দিকৈ, বিশিষ্ট সমাজকৰ্মী ধৰ্মকান্ত হাজৰিকাকে প্ৰমুখ্য কৰি বহুকেইজন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় এন এছ এছৰ প্ৰগ্ৰেম অফিচাৰ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বিৰাজ দত্তই।

## প্ৰখ্যাত অ
## আহমেদ

**ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ** হকীত অলিম্পকৰ
পদক লাভেৰে ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই অ
ক্ৰীড়াৰ সৰ্বোচ্চ সন্মান অৰ্জুন বঁটা আৰু
সন্মানেৰে বিভূষিত জফৰ ইকবাল আহমেদ
কলকাতাস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা
বন্দোপাধ্যায়ৰ উপস্থিতিত ডিব্ৰুগড় বিশ্ববিদ্য
সভাকক্ষত ডি এইচ এছ কানৈ মহাবিদ্যালয়